**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 12-05-2025 **Time :** 07-55 Hrs.

**<u>Assamese Morning Bulletin</u>**

পঞ্চায়ত নিৰ্বাচনৰ যোৱা নিশালৈকে লাভ কৰা ভোটগণনাৰ তথ্য অনুসৰি বিজেপিয়ে বিভিন্ন জিলাত অগ্ৰগতি লাভ কৰিছে। নিশা চাৰে ৯ বজালৈকে লাভ কৰা তথ্য অনুসৰি জিলা পৰিষদৰ মুঠ ৩৯৭ খন আসনৰ ভিতৰত বিজেপি মিত্ৰজোঁটে ২৮৩ খন আসনত জয় বা অগ্ৰগতি লাভ কৰিছে। ৫১ খনত কংগ্ৰেছ আৰু ৮ খন আসনত এ আই ইউ ডি এফ দলে অগ্ৰগতি লাভ কৰিছে। আঞ্চলিক পঞ্চায়তৰ ২ হাজাৰ ১৯২ খন আসনৰ ভিতৰত বিজেপিয়ে ৬৯০ খনত আৰু কংগ্ৰেছে ৫১ আৰু এ আই ইউ ডি এফে ১০ খন আসনত আগবাঢ়ি আছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি দলৰ ৰাজ্যিক সভাপতি দিলীপ কুমাৰ শইকীয়া আৰু দলৰ সাংগঠনিক সম্পাদক ৰবীন্দ্ৰ ৰাজু, সাংসদ ভূবনেশ্বৰ কলিতাৰ লগতে দলৰ শীৰ্ষ নেতাসকলৰ উপস্থিতিত সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰে। তেওঁ লগতে দলৰ বিজয়ৰ দিশে এই সন্তোষজনক অগ্ৰগতিত আনন্দ প্ৰকাশ কৰি ৰাজ্যখনৰ জনসাধাৰণক ধন্যবাদ জ্ঞাপন কৰে। আমাৰ সংবাদদাতাসকলে জনোৱা মতে ভোটগণনাৰ শেহতীয়া তথ্য অনুসৰি কেইবাখনো জিলাত বিজেপিয়ে অগ্ৰগতি লাভ কৰিছে। শিৱসাগৰ জিলাৰ ৩টা বিধানসভা সমষ্টিৰ ১২ খন জিলা পৰিষদৰ ১১ খনত বিজেপিয়ে অগ্ৰগতি লাভ কৰিছে। একেদৰে আঞ্চলিক পঞ্চায়তৰ ফলাফল ঘোষণা হোৱা আসনৰ ভিতৰতো বিজেপিয়ে সৰ্বাধিক আসন লাভ কৰিছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

শ্ৰীভূমি জিলাত পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা চলি আছে। জিলাখনৰ ৪টা বিধানসভা সমষ্টি, উত্তৰ কৰিমগঞ্জ, দক্ষিণ কৰিমগঞ্জ, পাথাৰকান্দি আৰু ৰামকৃষ্ণ নগৰক সামৰি ১৬ খন জিলা পৰিষদৰ দুখন আসন বিজেপিয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে লাভ কৰে। বাকী ১৪ খন জিলা পৰিষদ, ৯৬ খন আঞ্চলিক পঞ্চায়ত আৰু ৱাৰ্ড সদস্য পদৰ বাবে ১০ খনকৈ গণনামেজত গণনা চলি আছে। শেহতীয়া তথ্য অনুসৰি আসনসমূহত শাসকীয়সকলৰ আধিপত্য অব্যাহত আছে।

০০০০০০০

সমৰ্থ প'ৰ্টেলৰ জৰিয়তে শিক্ষাৰ্থীসকলে আজিৰ পৰা চলিত ২০২৫-২৬ বৰ্ষত স্নাতক পাঠ্যক্ৰমত নিজৰ নাম পঞ্জীয়ন কৰিব পাৰিব। ৰাজ্যৰ শিক্ষা বিভাগে এই সন্দৰ্ভত জাননী জাৰি কৰিছে। নিৰ্দেশনা অনুসৰি অনা উমৈহতীয়া বিশ্ববিদ্যালয় বাছনি পৰীক্ষা অৰ্থাৎ ন'ন চি ইউ ই টিৰ প্ৰাৰ্থীসকলৰ ক্ষেত্ৰত আজিৰ পৰা ২২ মে'লৈকে আবেদনকাৰীৰ দ্বাৰা পাঠ্যক্ৰম নিৰ্বাচন আৰু শিক্ষানুষ্ঠানৰ দ্বাৰা আবেদনসমূহৰ পৰীক্ষণ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ২৯ মে'ৰ পৰা ১ জুনৰ ভিতৰত প্ৰথমখন মেধা তালিকা প্ৰস্তুত কৰি চূড়ান্ত কৰাৰ লগতে ২ জুনত প্ৰথম মেধা তালিকা প্ৰকাশ পাব। ৪ জুন আৰু ৫ জুনত প্ৰথম মেধা তালিকাত অন্তৰ্ভুক্ত ছাত্ৰ-ছাত্ৰীসকলৰ নামভৰ্তিৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ৭ জুনত দ্বিতীয়খন মেধা তালিকা প্ৰকাশ পাব। ৯ জুন আৰু ১০ জুনত তালিকাখনত অন্তৰ্ভুক্ত হোৱা শিক্ষাৰ্থীসকলৰ

নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব। ১১ জুনৰ পৰা ১৪ জুনলৈকে পোনপটীয়া নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব। অহা ১ আগষ্টৰ পৰা প্ৰথম যান্মাষিকৰ শ্ৰেণীসমূহ আৰম্ভ হ'ব। উমৈহতীয়া বিশ্ববিদ্যালয় বাছনি পৰীক্ষা অৰ্থাৎ চি ইউ ই টিৰ জৰিয়তে নিৰ্বাচিত প্ৰাৰ্থীসকলৰ নামভৰ্তি প্ৰক্ৰিয়া ৫ জুলাইৰ পৰা আৰম্ভ হ'ব।

0000000

বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে বিশেষকৈ দক্ষিণ-পূব এছিয়া আৰু অসমতো আজি বুদ্ধ পূৰ্ণিমা উদযাপন কৰা হৈছে। গৌতম বুদ্ধৰ জন্মৰ দিনটোৰ লগতে বুদ্ধগয়াত মহাবোধি বৃক্ষৰ তলত তেওঁ পৰিনিৰ্বাণ লাভ কৰা দিন উপলক্ষে আজি বুদ্ধ পূৰ্ণিমা পালন কৰা হয়। সমগ্ৰ বিশ্বৰ বৌদ্ধ আৰু হিন্দু ধৰ্মাৱলম্বী লোকসকলে এই দিনটো উদযাপন কৰাৰ লগতে ভাৰত, নেপাল, ভূটান, বাৰ্মা, থাইলেণ্ড, তিব্বত, কোৰিয়া, লাওছ, ভিয়েটনাম, মংগোলিয়া, কম্বোডিয়া, ছিংগাপুৰ, ইণ্ডোনেছিয়া আৰু শ্ৰীলংকাৰ দৰে দেশসমূহত মহা আড়ম্বৰেৰে এই দিৱস উদযাপন কৰা হয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গৌতম বুদ্ধৰ সমূহ অনুগামীলৈ বুদ্ধ পূৰ্ণিমাৰ শুভেচ্ছা জ্ঞাপন কৰিছে। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখৰেও আটাইলৈ বুদ্ধ পূৰ্ণিমাৰ শুভেচ্ছা জনাইছে। ভগৱান বুদ্ধৰ অহিংসা তথা দয়াৰ বাৰ্তা আজিৰ সময়ত সমাজ তথা মানৱতাৰ বাবে পূৰ্বতকৈ অধিক প্ৰাসংগিক বুলি তেওঁ মত প্ৰকাশ কৰে।

0000000

ভূমিস্খলনৰ বাবে মেঘালয়-বৰাক সংযোগী ৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ বন্ধ কৰি দিয়া হৈছে। ৰাষ্ট্ৰীয় ঘাইপথটোৰ মেৰামতিৰ কাম সম্পূৰ্ণ নোহোৱালৈকে সকলো ধৰণৰ যান-বাহনৰ চলাচল বন্ধ কৰি দিয়া হৈছে। বৰষুণৰ ফলত ৰাষ্ট্ৰীয় ঘাইপথটোৰ কেইবাটাও স্থানত ভূমিস্খলন সংঘটিত হৈছে। যাৰ বাবে যাতায়াত কৰা লোকসকলৰ বাবে মেঘালয় আৰক্ষীয়ে বিকল্প পথ ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছে।

0000000

বিহাৰত চলি থকা সপ্তম খেল' ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমে ১৫০ টা পদক অৰ্জন কৰিবলৈ সক্ষম হৈছে। ২০১৮ চনৰ পৰা আৰম্ভ হোৱা ভাৰত চৰকাৰৰ প্ৰতিভা সন্ধানী ক্ৰীড়া প্ৰতিযোগিতাত খেল' ইণ্ডিয়া, যুৱ ক্ৰীড়াৰ নতুন দিল্লীৰ উদ্বোধনী বৰ্ষত অসমে এটাকৈ সোণ, ব্ৰঞ্জ আৰু দুটা ৰূপসহ চাৰিটা পদক লাভ কৰিছিল। পৰৱৰ্তী দ্বিতীয় সংস্কৰণত অসমে ১০ টা পদক লাভ কৰিবলৈ সক্ষম হৈছিল। ২০২০ চনত গুৱাহাটীত অনুষ্ঠিত হোৱা তৃতীয় খেল' ইণ্ডিয়া যুৱ ক্ৰীড়া অসমে ২০ টা সোণ, ২২ টা ৰূপ আৰু ৩৪ টা ব্ৰঞ্জ সহ মুঠ ৭৬ টা পদক লাভ কৰিবলৈ সক্ষম হৈছিল। পৰৱৰ্তী ২০২২, ২০২৩ আৰু ২০২৪ চনৰ খেল' ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমে পদক অৰ্জন কৰিছিল যদিও ২০২০ চনতেই আছিল অসমৰ শ্ৰেষ্ঠ প্ৰদৰ্শন।

0000000

**সমাপ্ত**